# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-05-2024
**Time :** 1840 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

***- - - - - - -***

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰ প্ৰদেশৰ বাৰানসী সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল।

২। দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত। বিজেপি নেতা অমিত শ্বাহৰ পশ্চিমবংগত, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীৰ উত্তৰ প্ৰদেশত আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ওড়িশাত প্ৰচাৰ।

৩। অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা আনছাৰুল্লাহ বাংলা টীমৰ দুই সদস্যক ৯ দিনৰ বাবে বিশেষ শাখাৰ জিম্মালৈ প্ৰেৰণ।

৪। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ পৰা যাবলগীয়া ৩ হাজাৰ ৭০৮ গৰাকী হজযাত্ৰীৰ প্ৰথমটো দলৰ পৰহিলৈ মক্কা অভিমুখে যাত্ৰা। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, দেলহী কেপিটেলছৰ মুখামুখী।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বাৰানসী সমষ্টিৰ পৰা তেওঁৰ মনোনয়ন পত্ৰ দাখিল কৰিছে। লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ত অহা ১ জুনত এই সমষ্টিটোৰ বাবে ভোটগ্ৰহণ কৰা হ'ব আৰু এই পৰ্যায়ৰ বাবে আজি হৈছে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। আজি পুৱা শ্ৰী মোদীয়ে পৱিত্ৰ গংগাত স্নান কৰি কাশীৰ কালভৈৰৱ মন্দিৰত পূজা-অৰ্চনা কৰি আশীৰ্বাদ লোৱাৰ পাছত তেওঁৰ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, দলৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিং আৰু হৰদীপ সিং পুৰীকে ধৰি মিত্ৰজোঁটৰ - চন্দ্ৰবাবু নাইডু, একনাথ সিন্দে, জিতন ৰাম মাঝি, সঞ্জয় নিশ্বাদ, ৰামদাস আঠাৱালে প্ৰমুখ্যে কেইবাগৰাকীও নেতা উপস্থিত থাকে। এই কাৰ্যসূচীত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথও উপস্থিত থাকে।

কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী আই এন ডি আই মিত্ৰজোঁটৰ উমৈহতীয়া প্ৰাৰ্থী অজয় ৰায় শ্ৰীমোদীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। ২০১৪ আৰু ২০১৯ চনৰ লোকসভা নিৰ্বাচনত শ্ৰীমোদীৰ বিৰুদ্ধে বাৰানসীৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা উত্তৰ প্ৰদেশ কংগ্ৰেছৰ মুৰব্বী শ্ৰী ৰায় দুয়োটা নিৰ্বাচনতে তৃতীয় স্থানত থাকে। ২০১৯ চনৰ নিৰ্বাচনত প্ৰধানমন্ত্ৰী মোদীয়ে সমাজবাদী পাৰ্টীৰ শালিনী যাদৱক ৪ লাখ ৭৯ হাজাৰৰো অধিক ভোটৰ ব্যৱধানত পৰাজিত কৰিছিল।

আজি মনোনয়ন পত্ৰ দাখিলৰ সময়ত এন ডি এৰ অংশীদাৰ হিচাপে অসম গণ পৰিষদৰ সভাপতি অতুল বৰা উপস্থিত থাকে। এই কাৰ্যসূচীত অংশ লৈ শ্ৰীবৰাই কয় যে, প্ৰধানমন্ত্ৰীগৰাকীৰ বলিষ্ঠ নেতৃত্বৰ বাবে দেশ এতিয়া অভূতপূৰ্ব বিকাশৰ সাক্ষী হৈছে।

০০০০০

দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত আছে। পঞ্চম পৰ্যায়ত ২০ মে'ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত ৩টা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। এই পৰ্যায়ত ৪৯টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু ১ জুনত সপ্তম পৰ্যায়ত আৰু ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিমবংগৰ বনগাঁও লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। অনুষ্ঠানত অংশ লৈ শ্ৰীশ্বাহে জনসাধাৰণক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰোৱাৰ বাবে জনসাধাৰণক এন ডি এক ভোটদান কৰিবলৈ আহ্বান জনায়। তেওঁ চতুৰ্থ পৰ্যায়লৈকে নিৰ্বাচন অনুষ্ঠিত ৩৮০খন আসনৰ ভিতৰত এন ডি এয়ে ২৭০খন আসন লাভ কৰিব বুলি মন্তব্য কৰে। ইফালে দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি উত্তৰ প্ৰদেশৰ আমেঠিত আয়োজিত এখন জনসভাত অংশ লয়।

কংগ্ৰেছৰ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি উত্তৰ প্ৰদেশৰ বাঁশ গাঁৱত আয়োজিত জনসভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত তেওঁ কয় যে, কংগ্ৰেছ নেতৃত্বাধীন আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে কৃষকৰ ঋণ ৰেহাই দিয়াৰ লগতে কৃষি খণ্ডৰ পৰা জি এছ টি আঁতৰোৱা হ'ব বুলি উল্লেখ কৰে। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি উত্তৰ প্ৰদেশৰ আমেঠিত জনসভাত অংশগ্ৰহণ কৰি প্ৰচাৰ অভিযান চলায়। ইপিনে আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালে আজি হাৰিয়ানাৰ কুৰুক্ষেত্ৰত এটা ৰোড শ্ব'ত অংশ লয়।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি উড়িশাৰ ভূবনেশ্বৰত এখন জনসভাত অংশ লয়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে দেশক প্ৰগতিৰ পথত আগবঢ়াই নিয়াৰ বাবে এন ডি এক সমৰ্থন কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে আৰক্ষী, কেন্দ্ৰীয় তদন্তকাৰী সংস্থা, ভাৰতীয় ৰিজাৰ্ভ বেংক, বিধি বলৱৎকাৰী সঞ্চালকালয় আৰু আইন বলৱৎকাৰী সংস্থাৰ বেশত অহা প্ৰবঞ্চকৰ পৰা হাত সাৰি থাকিবলৈ জনসাধাৰণক আহ্বান জনাইছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে একাংশ চাইবাৰ অপৰাধীয়ে চৰকাৰী বিষয়াৰ বেশত ভয় ভাবুকি দেখুৱাই প্ৰবঞ্চনা, ধন দাবীকে ধৰি বিভিন্ন অপৰাধমূলক কাৰ্য কৰি অহা সন্দৰ্ভত ক্ৰাইম ৰিপোৰ্টিং প'ৰ্টেলত ভালেসংখ্যক অভিযোগ পঞ্জীভুক্ত হৈছে। মন্ত্ৰালয়ে লগতে কয় যে, এনেধৰণৰ ঘটনাত বহু লোকে অপৰাধীক কৱলত পৰি বৃহৎ পৰিমাণৰ ধন হেৰুৱাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। এনেধৰণৰ সংগঠিত অৰ্থনৈতিক অপৰাধ  সংঘটিত কৰা এটা চক্ৰ সীমান্তৰ সিপাৰৰ পৰা পৰিচালনা কৰা হয় বুলি প্ৰকাশ কৰা হৈছে। মন্ত্ৰালয়ে কয় যে, এনেধৰণৰ অপৰাধীসকলে স্কাইপ বা অন্য ভিডিঅ' কনফাৰেন্সিং প্লেটফৰ্মত জনসাধাৰণক ভীতি প্ৰদৰ্শন কৰাৰ চেষ্টা কৰে। মন্ত্ৰালয়ে এনে ধৰণৰ ঘটনা সন্মুখীন হোৱাৰ লগে লগে ১৯৩০ হেল্পলাইন নম্বৰ নাইবা WWW.CYCBERCRIME.GOV.INত যোগাযোগ কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে।

০০০০০

অসম আৰক্ষীৰ বিশেষ শাখাই গ্ৰেপ্তাৰ কৰা অলকায়দাৰ সহযোগী  সংগঠন আনছাৰুল্লাহ বাংলা টীম চমুকৈ এ বি টিৰ সদস্য বাহাৰ মিঞা আৰু ৰাছেল মিঞাক আজি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়াধীশ দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। পিছত তদন্তকাৰী সংস্থাটোৱে অধিক সোধা পোছাৰ বাবে দুয়োকে ১৩ দিনৰ বাবে নিজৰ জিম্মাত বিচাৰি আদালতত আবেদন জনায়। কিন্তু আদালতে ৯ দিনৰ বাবে বিশেষ শাখাৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে, বিশেষ শাখাই কালি গুৱাহাটীত দুই সদস্যক গ্ৰেপ্তাৰ কৰিছিল।

০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধি উলংঘা সন্দৰ্ভত বিভিন্ন ৰাজনৈতিক দলে দাখিল কৰা ৯০ শতাংশৰো অধিক অভিযোগ নিষ্পত্তি কৰিছে আৰু কংগ্ৰেছ তথা বিজেপিৰহে কেইটামান অভিযোগ বিচাৰাধীন হৈ আছে। আয়োগে এটা বিবৃতিত কয় যে, এই সময়ছোৱাত ৪২৫টা গুৰুতৰ অভিযোগ লাভ কৰিছিল। ইয়াৰ ভিতৰত ৪০০টা নিষ্পত্তি কৰাৰ লগতে প্ৰয়োজনীয় কাৰ্যপন্থা গ্ৰহণ কৰা হৈছে। আয়োগে উল্লেখ কৰা মতে ১৭০টা অভিযোগ কংগ্ৰেছ দলে দাখিল কৰাৰ বিপৰীতে ৯৫টা অভিযোগ বিজেপিয়ে আৰু ১৬০টা অন্য ৰাজনৈতিক দলসমূহে দাখিল কৰিছিল। আয়োগে লগতে কয় যে, নিৰ্বাচনী আচৰণ বিধি উলংঘা সন্দৰ্ভত কংগ্ৰেছ আৰু বিজেপিয়ে পৰস্পৰৰ বিৰুদ্ধে দাখিল কৰা কেইটামান অভিযোগ বিবেচনাধীন হৈ আছে। উল্লেখযোগ্য যে আয়োগে ইয়াৰ পূৰ্বে কেইবাগৰাকীও ৰাজনৈতিক নেতাক নিৰ্বাচনী আচৰণ বিধি উলংঘা সন্দৰ্ভত ব্যক্তিগত জাননী জাৰি কৰিছে।

০০০০০

কেন্দ্ৰত শাসনাধিষ্ঠিত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰ যোৱা ৮ বছৰে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি পূৰণত ব্যৰ্থ হৈছে বুলি আজি বৰপেটাত এখন সংবাদমেলত আম আদমী পাৰ্টীৰ বৰপেটা জিলা সমিতিৰ নেতৃবৃন্দই প্ৰকাশ কৰে। তেওঁলোকে চৰকাৰখন বিভিন্ন দিশত ব্যৰ্থ হোৱা বুলি উল্লেখ কৰি পানীযোগান, স্বাস্থ্য, শিক্ষা, বিজুলী যোগান, মূল্যবৃদ্ধি আদি বিষয়কেইটাত বিশেষ গুৰুত্ব দিয়ে। চৰকাৰী বিদ্যালয়সমূহৰ আন্তঃগাঁথনি দুৰ্বল হৈ পৰা বুলিও তেওঁলোকে মন্তব্য কৰে। সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে জনসাধাৰণৰ জীৱন-যাপনৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰা বুলিও তেওঁলোকে সংবাদমেলত প্ৰকাশ কৰে।

০০০০০

কামৰূপ মহানগৰ জিলা সত্ৰ ন্যায়াধীশৰ আদালতে উৎকোচ লৈ হাতেলোটে গ্ৰেপ্তাৰ হোৱা কাৰ্যবাহী অভিযন্তা জয়ন্ত গোস্বামীক আজি ৪ দিনৰ বাবে তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰিছে। বিলৰ ধন মোকলাই দিয়াৰ নামত কালি হেঙেৰাবাৰীৰ এখন হোটেলত ২০ হেজাৰ টকা উৎকোচ লওতেই সঞ্চালকালয় কাৰ্যবাহী অভিযন্তা গোস্বামীক গ্ৰেপ্তাৰ কৰিছে। উল্লেখযোগ্য যে, অভিযুক্ত গোস্বামীৰ বাসগৃহৰ পৰা তদন্তকাৰী দলে ইতিমধ্যে প্ৰায় ৮০ লাখ টকা উদ্ধাৰ কৰিছে। জানিব পৰা মতে ধৃত কাৰ্যবাহী অভিযন্তা গোস্বামীৰ সা-সম্পত্তি সন্দৰ্ভতো সঞ্চালকালয়ে তদন্ত আৰম্ভ কৰিব।

০০০০০

অৰুণাচল প্ৰদেশত যোৱা ১২ মে'ৰ পৰা প্ৰথম ছিয়াং জৈৱ বৈচিত্ৰ সন্মিলন-২০২৪ অনুষ্ঠিত হৈছে। অহা ১৮ মে'ত এই সন্মিলনৰ সামৰণি পৰিব। সপ্তাহজোৰা এই সন্মিলনত জৈৱ বৈচিত্ৰ সংৰক্ষণ সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। উল্লেখযোগ্য যে আপাৰ ছিয়াং জিলাত শেহতীয়াকৈ ১০টা নতুন প্ৰজাতিৰ মথ আৱিষ্কাৰ কৰা হৈছে। এই আৱিষ্কাৰে জিলাখনত ছিয়াং জৈৱ বৈচিত্ৰ সন্মিলন আয়োজনৰ পথ প্ৰসস্ত

কৰিলে। উল্লেখযোগ্য যে এটা জৰীপৰ সময়ত ৰাজ্যখনত ২৫০টা প্ৰজাতিৰ পখিলা, ৬৫০টা মথৰ প্ৰজাতি আৰু ২০০টা পক্ষী প্ৰজাতি থকাটো নিশ্চিত কৰা হৈছিল।

00000

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ পৰা এইবাৰ ৩ হাজাৰ ৭০৮ গৰাকী হজযাত্ৰী হজ যাত্ৰাৰ বাবে ৰাওনা হ'ব। পৰহিলৈ গুৱাহাটী লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা হজযাত্ৰীৰ প্ৰথমটো দল মক্কা অভিমুখে যাত্ৰা কৰিব। আজি গুৱাহাটীৰ হাজি মুছাফিৰখানাত আয়োজিত এখন সংবাদমেলত যুটীয়া ৰাজ্যিক হজ সমিতিৰ অধ্যক্ষ নেকিবুৰ জামানে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, হজ যাত্ৰা কৰিবলগীয়া যাত্ৰীসকলৰ ভিতৰত ৩ হাজাৰ ৬৫৮ গৰাকী অসমৰ হোৱা বিপৰীতে ৩৬ গৰাকী মেঘালয়ৰ আৰু ৭ গৰাকীকৈ নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ লোক। অহা ২৫ মে' পৰ্যন্ত যাত্ৰীসকল হজ যাত্ৰাৰ বাবে পৰ্যায়ক্ৰমে ৰাওনা হ'ব। আজি সংবাদমেলত অধ্যক্ষ জামানে কয় যে, হজ যাত্ৰীসকলৰ সুবিধাৰ বাবে কেন্দ্ৰীয় হজ সমিতিয়ে হজ সুবিধা এপ নামৰ এটা মোবাইল এপ্লিকেশ্বনৰ ব্যৱস্থা কৰিছে। এই এপৰ সহায়ত যাত্ৰীসকলে হজ সম্পৰ্কীয় সকলো তথ্য ঘৰতে বহি লাভ কৰিব পাৰিব বুলি তেওঁ কয়।

00000

যোৰহাট চিকিৎসা মহাবিদ্যালয়ত এটা বিশেষ সা-সুবিধা থকা অগ্নিদগ্ধ লোকৰ চিকিৎসাৰ কক্ষ স্থাপনৰ বাবে আজি মহাবিদ্যালয় কৰ্তৃপক্ষৰ সৈতে তেল আৰু প্ৰাকৃতিক গেছ আয়োগ লিমিটেডৰ মাজত এখন চুক্তি স্বাক্ষৰ হয়। ১১ কোটি ৮৩ লাখ টকাৰ এই চুক্তিখনৰ জৰিয়তে আধুনিক চিকিৎসা ব্যৱস্থাৰে সজ্জিত কক্ষটো মহাবিদ্যালয়খনৰ তৃতীয় মহলাত স্থাপন কৰা হ'ব। এই কক্ষটো কাৰ্যক্ষম হৈ উঠিলে যোৰহাটকে ধৰি উজনি অসমৰ বহু লোকৰ সুবিধা হ'ব বুলি মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ ৰত্নকান্ত তালুকদাৰে কয়।

00000

ফ্ৰান্সত আজিৰে পৰা কাঁ চলচ্চিত্ৰ মহোৎসৱৰ ৭৭ সংখ্যক সংস্কৰণ অনুষ্ঠিত হৈছে। ১২ দিনীয়া কাৰ্যসূচীৰে আয়োজিত এইবাৰৰ কাঁ চলচ্চিত্ৰ মহোৎসৱত সাতখনকৈ ভাৰতীয় বোলছবি প্ৰদৰ্শিত হ'ব। এই বোলছবিকেইখন হৈছে ALL WE IMAGINE AS LIGHT, SANTOSH, SUNFLOWERS WERE THE FIRST ONES TO KNOW, MANTHAN, SISTER MID NIGHT, RETREAT, THE SHAME LESS। দেশে প্ৰথমবাৰৰ বাবে এই মহোৎসৱত **ভাৰতপৰ্ব** কাৰ্যসূচীৰ আয়োজন কৰিব। ভাৰতপৰ্বতে চলিত বৰ্ষৰ ২০ৰ পৰা ২৮ নৱেম্বৰলৈকে গোৱাত হ'বলগীয়া ৫৫ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ ২০২৪ৰ পোষ্টাৰ আৰু ট্ৰেইলাৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। কাঁ চলচ্চিত্ৰ মহোৎসৱত থকা ভাৰত পেভিলিয়ন ভাৰতীয় চলচ্চিত্ৰৰ সৈতে জড়িত লোকসকলক মহোৎসৱৰ সময়ছোৱাত বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব।

00000

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত আজি এন এছ এছৰ উদ্যোগত এখন বাল্য বিবাহ বিৰোধী বাটৰ নাট পৰিবেশন কৰা হয়। এই নাটখন ৫ শতাধিক লোকে উপভোগ কৰে। উল্লেখযোগ্য যে যোৱা ৯ মে'ৰ পৰা সামাজিক সমস্যা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে এন এছ এছ গোটে কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰিছে। আজি নাটখনৰ জৰিয়তে বাল্য বিবাহৰ ফলত সমাজত পৰা নেতিবাচক প্ৰভাৱ সন্দৰ্ভত সজাগতা সৃষ্টি কৰা হয়।

00000

নগাঁও জিলাৰ কলিয়াবৰৰ কেলিডেন চাহ বাগিচাত বনৰীয়া হাতীৰ আক্ৰমণৰ ফলত যোৱা নিশা এগৰাকী বৃদ্ধাৰ মৃত্যু হয়। মৃত বৃদ্ধাগৰাকী লুচিয়া এক্কা বুলি চিনাক্ত কৰা হৈছে। হাতীৰ আক্ৰমণত গুৰুতৰভাৱে আহত মহিলাগৰাকী প্ৰথমে জখলাবন্ধা আৰু পাছলৈ তেজপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় যদিও মহিলাগৰাকী চিকিৎসালয়ত মৃত্যু হয়। ইফালে ধেমাজি জিলাৰ মাছখোৱাত বনৰীয়া হাতীৰ মুক্ত বিচৰণক লৈ অঞ্চলটোৰ ৰাইজ শংকিত হৈছে। বৰপাক, নৈকোষ আৰু যোৰকাটা অঞ্চলৰ সমীপৰ ঘিলাগুৰিত দিনৰ ভাগত বনৰীয়া হাতীটো মুকলিকৈ বিচৰণ কৰাৰ ফলত ৰাইজ শংকিত হৈ পৰিছে। বন বিভাগৰ লোকে হাতীটোক খেদি পঠিয়াবলৈ চেষ্টা অব্যাহত ৰাখিছে।

ooooo

গোলাঘাট আৰক্ষীয়ে মাদক দ্ৰব্যৰ বিৰুদ্ধে অভিযান চলাই যোৱা নিশা গোলাঘাটৰ ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত মাদক দ্ৰব্যসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। লোক তিনিজনে ডিমাপুৰৰ পৰা ৫ লক্ষাধিক টকা মূল্যৰ মাদক দ্ৰব্য দুখন বাহনত সৰবৰাহ কৰি গোলাঘাট অভিমুখে আহি থকা অৱস্থাত আৰক্ষীয়ে কৰায়ত্ত কৰে। লোক তিনিজনক সোধা পোছা কৰি থকা হৈছে বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। ইফালে লামডিং ৰে'ল ষ্টেচনত আৰক্ষীয়ে নিয়মীয়া তালাচীৰ সময়ত ৩০ কিলোগ্ৰাম ভাং জব্দ কৰাৰ উপৰি দুজন লোকক গ্ৰেপ্তাৰ কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দেলহী কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

আনহাতে, গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত কাইলৈ ৰাজস্থান ৰয়েলছ আৰু পাঞ্জাব কিংছৰ মাজত হ'বলগীয়া খেলখনৰ বাবে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। পাঞ্জাব কিংছৰ দলটো দেওবাৰে গুৱাহাটীলৈ অহাৰ বিপৰীতে ৰাজস্থান ৰয়েলছ কালি বিয়লি গুৱাহাটীত আহি উপস্থিত হয়। আজি দুয়োটা দলেই বৰ্ষাপাৰাৰ ষ্টেডিয়ামত অনুশীলন কৰাৰ পাছত ৰাজস্থান ৰয়েলছৰ দলটোৱে এখন সংবাদ মেলত অংশ লয়। গুৱাহাটীত হ'বলগীয়া দুয়োখন খেলৰ বাবে অনুৰাগীসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা দেখা গৈছে।

ooooo

কাইলৈ আৰু ১৯ মে'ত গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ টি-২০ ক্ৰিকেট খেল দুখনৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন আৰক্ষীয়ে যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই সময়ছোৱাত শিশু, মহিলা, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম নাগৰিকসকলৰ আহযাহ সুচল হোৱাৰ লগতে জৰুৰীকালীন বাহন যেনে এম্বুলেন্স, স্কুল বাছ, অগ্নি নিৰ্বাপক বাহন আদিৰ চলাচল সুচল হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসাৰে ১৫ আৰু ১৯ মে'ত দিনৰ ৩ বজাৰ পৰা নিশা ১২ বজালৈ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গুৱাহাটী মহানগৰীৰ অংশত গধূৰ যান-বাহন আৰু বাণিজ্যিক বাহনৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই দুয়োটা দিনত গুৱাহাটীৰ আৰ্যনগৰৰ পৰা লখৰা চাৰিআলিলৈ যোৱা পথটো দিনৰ তিনি বজাৰ পৰা ৱানৱে হৈ পৰিব। লালগণেশ তিনি আলি অঞ্চলৰ পৰা খেলৰ কাৰ পাছ থকা বাহনকহে বৰ্ষাপাৰালৈ চলাচলৰ অনুমতি প্ৰদান কৰা হ'ব। আনহাতে বৰ্ষাপাৰা তিনিআলিৰ পৰা ধীৰেনপাৰা তিনি আলিলৈও পথছোৱা ৱানৱে হৈ পৰিব আৰু খেলৰ কাৰ পাছ থকা বাহনেহে চালাচৰ অনুমতি পাব। অৱশ্যে স্থানীয় বাসিন্দাৰ বাহন আৰু জৰুৰীকালীন সেৱাৰ বাহনৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহয়।

ooooo

এছিয়া আৰু বিশ্ব ব'ডি বিল্ডিং চেম্পিয়নশ্বিপৰ বাবে মাজুলীৰ পবিত্ৰ নাথে ভাৰতীয় দলত স্থান লাভ কৰিছে। যোৱা ১১ আৰু ১২ মে'ত কেৰালাৰ ক'চিত অনুষ্ঠিত যোগ্যতা নিৰূপণকাৰী খেলৰ জৰিয়তে খেলুৱৈগৰাকীয়ে দলটোত স্থান লাভ কৰে। ইয়াৰ পূৰ্বে খেলুৱৈগৰাকীয়ে দক্ষিণ এছিয় ক্ৰীড়া সমাৰোহত সোণ আৰু বিশ্ব ব'ডি বিল্ডিং এণ্ড ফিজিক চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

ooooo

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয় ষ্টেডিয়ামত আজিৰে পৰা নুৰুদ্দিন আহমেদ মেম'ৰিয়েল অসম মণ্ডল আন্তঃজিলা ক্ৰিকেট টুৰ্নামেণ্ট আৰম্ভ হৈছে। যোৰহাট জিলা আৰু চৰাইদেউ জিলাৰ মাজত অনুষ্ঠিত উদ্বোধনী খেলখনত যোৰহাট দলে জয়লাভ কৰে।

ooooo

মাজুলীৰ দেউদিআটি গাঁও নিবাসী আদৰ্শ কৃষক জিউৰাম বৰাৰ বাৰ্ধক্যজনিক কাৰণত নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ১০০ বছৰ।

ooooo

সমাপ্ত